DailyAssam.Com

# গোট-১

## পৰিচিতি

এই পাঠটোত আলোচ্য বিষয়বস্তু হ'ল—

- অৱস্থিতি—স্থানিক সম্বন্ধ আৰু পৃথিৱীৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ অৱস্থান

DailyAssam.Com

অধ্যায়

১

# ভাৰতবৰ্ষ - অৱস্থিতি

তোমালোকে ইতিমধ্যে আগৰ শ্ৰেণীবোৰত ভাৰতবৰ্ষৰ মানচিত্ৰখন দেখিছা। এতিয়া এই মানচিত্ৰখন (চিত্ৰ ১.১) ভালদৰে নিৰীক্ষণ কৰা। সৰ্বোত্তৰ আৰু দক্ষিণতম অক্ষৰেখা দুডাল আৰু একেবাৰে পূৱৰ আৰু পশ্চিম সীমা চুই থকা দ্ৰাঘিমাৰেখা দুডাল চিহ্নিত কৰা।

ভাৰতবৰ্ষৰ মূল ভূ-ভাগ উত্তৰে কাশ্মীৰৰ পৰা দক্ষিণে কন্যাকুমাৰী আৰু পূৱে অৰুণাচল প্ৰদেশৰ পৰা পশ্চিমে গুজৰাট পৰ্যন্ত বিস্তৃত হৈ আছে। ভাৰতবৰ্ষৰ পাৰ্শ্বৱৰ্তী জলধাৰাৰ (সমুদ্ৰ) উপকূলৰ পৰা আৰ্ন্তজাতিক সীমাৰেখাৰ দাবী ১২ ন'টিকেল মাইল (প্ৰায় ২১.৯ কি. মি.)।

**ৰূপান্তৰণ**

| | | |
|---|---|---|
| বিধানীয় মাইল (statute mile) | = | ৬৩,৩৬০ ইঞ্চি |
| ন'টিকেল মাইল | = | ৭২,৯০০ ইঞ্চি |
| ১ বিধানীয় মাইল | = | ১.৬কি. মি.(১.৫৮৪ কি. মি.) |
| ১ ন'টিকেল মাইল | = | ১.৮ কি. মি.(১.৮৫২ কি. মি.) |

ভাৰতবৰ্ষৰ দক্ষিণতম প্ৰান্ত বংগ উপসাগৰৰ ৬°৪৫´ উত্তৰ পৰ্যন্ত বিস্তৃত। এনে বিশাল পৰিসৰৰ বিস্তৃতিৰ প্ৰভাৱ আলোচনা কৰা যাওক।

যদি আমি ভাৰতবৰ্ষৰ অক্ষৰৈক্ষিক আৰু দ্ৰাঘিমাৰৈখিক বিস্তৃতি উলিয়াও তেন্তে আমি প্ৰায় ৩০° পাঁও, অথচ, যদি উত্তৰা-দক্ষিণাকৈ আচল দূৰত্বৰ জোখ লও তেন্তে আমি পাম ৩,২১৪ কি. মি., আৰু পূৰা-পশ্চিমাকৈ সৰ্বাধিক দূৰত্ব হ'য় প্ৰায় ২,৯৩৩ কি. মি.। এনে দূৰত্বৰ প্ৰভেদৰ মূল কাৰণ কি হ'ব পাৰে বাৰু? ইয়াৰ সদ উত্তৰ পাবলৈ *'ব্যৱহাৰিক ভূগোল বিজ্ঞান, প্ৰথম খণ্ড'* (NCERT, ২০০৬) কিতাপখনৰ অধ্যায়-৩, 'অক্ষৰেখা, দ্ৰাঘিমাৰেখা আৰু সময় পাঠটো অধ্যয়ন কৰা।

এনে পাৰ্থক্যৰ মূল আধাৰ হ'ল এয়ে যে, বিষুৱৰ পৰা উত্তৰে বা দক্ষিণে মেৰুলৈ গতি কৰিলে দুডাল দ্ৰাঘিমাৰেখাৰ মাজৰ দূৰত্ব ক্ৰমশ হ্ৰাস পায়। আনহাতে, দুডাল অক্ষৰেখাৰ মাজৰ দূৰত্ব সকলো ঠাইতেই সদায়েই একে থাকে। দুডাল অক্ষৰেখাৰ মাজৰ দূৰত্ব উলিওৱাচোন।

অক্ষৰেখাৰ মানৰ পৰা বুজা যায় যে ভাৰতবৰ্ষৰ দক্ষিণ অংশ ক্ৰান্তীয় আৰু উত্তৰ অংশ উপক্ৰান্তীয় বা উষ্ম নাতিশীতোষ্ণ অঞ্চলত অৱস্থিত। এনে অৱস্থিতিৰ কাৰণেই ভাৰতবৰ্ষত ভূ-আকৃতি, জলবায়ু, মৃত্তিকাৰ প্ৰকাৰ আৰু প্ৰাকৃতিক উদ্ভিদৰ প্ৰভেদ বা বিভিন্নতা দেখা যায়।

এতিয়া আমি দ্ৰাঘিমাৰ বিস্তৃতি আৰু ভাৰতবৰ্ষৰ মানুহৰ ওপৰত ইয়াৰ প্ৰভাৱ আলোচনা কৰি চাওঁচোন। পূৱ আৰু পশ্চিম প্ৰান্তৰ দ্ৰাঘিমাৰেখাৰ মানৰ অন্তৰ প্ৰায় ৩০ ডিগ্ৰী আৰু সেয়েহে পূৱ আৰু পশ্চিম সীমান্তত অৱস্থিত দুখন ঠাইৰ স্থানীয় সময়ৰ ব্যৱধান হ'য় প্ৰায় ২ ঘন্টা। তোমালোকে ভাৰতীয় মান সময় (Indian Standard Time/IST) কি জানা। এই মান দ্ৰাঘিমাৰ ব্যৱহাৰ কি? পূৱ প্ৰান্তত পশ্চিমৰ জয়সালমেৰতকৈ দুঘন্টা পূৰ্বে যেতিয়া সূৰ্যোদয় হ'য় ডিব্ৰুগড়, ইম্ফল, জয়সালমেৰ, ভুপাল,

পৃথিৱীৰ বিভিন্ন দেশসমূহে ৭°৩০´ মানেৰে বিভাজ্য দ্ৰাঘিমাৰেখাডাল তেওঁলোকৰ নিজ দেশৰ মূখ্য দ্ৰাঘিমাৰেখা হিচাবে চিহ্নিত কৰিবলৈ এটা সিদ্ধান্ত লৈছে। সেয়েহে ৮২°৩০´ পূৱ-দ্ৰাঘিমা ৰেখাডাল ভাৰতৰ মূখ্য দ্ৰাঘিমা হিচাবে বিবেচনা কৰা হৈছে। ভাৰতীয় মান সময় (IST) গ্ৰিনউইচ মান সময়তকৈ (GMT) ৫ ঘন্টা ৩০ মিনিট আগবঢ়া।

কিছুমান দেশত আকৌ একাধিক মান দ্ৰাঘিমা নিৰ্ণয় কৰা হৈছে। এনে দেশবোৰ পূৰা-পশ্চিমাকৈ অধিক বিস্তৃত। উদাহৰণস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰত সাতটা সময়মণ্ডল আছে।

DailyAssam.Com







চিত্ৰ ঃ ১.১, ভাৰতবৰ্ষ ঃ প্ৰশাসনিক ভাগবোৰ

DailyAssam.Com






চিত্ৰ ১.২ পৃথিৱীৰ পূৰ্বক্ষেত্ৰত ভাৰতৰ অৱস্থিতি।

DailyAssam.Com



চেন্নাই আদিৰ ঘড়ীত একে সময় দেখুৱায়। এনে কিয় হ'য় বাৰু? ভাৰতবৰ্ষৰ মান দ্ৰাঘিমাৰেখাই চুই যোৱা কেইখনমান ঠাইৰ নাম লিখা।

৩.২৮ নিযুত বৰ্গ কি. মি. ক্ষেত্ৰফল (এলেকা) জুৰি থকা ভাৰতবৰ্ষই সমগ্ৰ পৃথিৱীৰ প্ৰায় ২.৪ শতাংশ ঠাই আগুৰি আছে আৰু আকাৰত ই পৃথিৱীৰ দেশসমূহৰ ভিতৰত সপ্তম স্থান অধিকাৰ কৰি আছে। ভাৰতবৰ্ষতকৈ আকাৰত ডাঙৰ দেশ কোনবোৰ বাচি উলিওৱা।

**আয়তন (Size) ঃ**

ভাৰতবৰ্ষৰ বৃহৎ আয়তনে দেশখনক প্ৰাকৃতিক বৈষম্যৰ লীলাভূমি হিচাবে গঢ়ি তুলিছে। উত্তৰৰ বিশাল আৰু সুউচ্চ পৰ্বতমালা, বৃহৎ নদ-নদী যেনে গঙ্গা, ব্ৰহ্মপুত্ৰ, মহানদী, কৃষ্ণা, গোদাৱৰী আৰু কাবেৰী, উত্তৰ-পূৱ আৰু দাক্ষিণাত্যৰ সেউজ বননিযুক্ত পাহাৰ লানি আৰু মধ্য-পশ্চিমৰ মৰুময় শুকান বালিৰাশি ভাৰতবৰ্ষৰ বৈচিত্ৰময় প্ৰাকৃতিক ভূ-দৃশ্যাৱলীৰ অংশ বিশেষ। উত্তৰে হিমালয়, উত্তৰ-পশ্চিমত হিন্দুকুশ আৰু চুলেইমান পৰ্বতমালা, উত্তৰ-পূৱত পূৰ্বাচল পাহাৰবোৰে আগুৰি থকা দেশখনৰ দক্ষিণত আছে ভাৰত মহাসাগৰ, এনে আবেষ্টনীৰ মাজত অৱস্থিত বৃহৎ ভৌগলিক ভূ-খণ্ডক ভাৰত উপমহাদেশ (Indian subcontinent) নামে জনা যায়। পাকিস্তান, নেপাল, ভূটান, বাংলাদেশ আৰু ভাৰতবৰ্ষ এই পাঁচখন দেশ ভাৰত উপমহাদেশৰ অৰ্ন্তগত। হিমালয় আৰু ইয়াৰ ঠাল-ঠেঙুলীয়ে অতীতত উত্তৰৰ সীমাৰ এক ভীষণ প্ৰাকৃতিক বাধা হিচাপে চিহ্নিত হৈছিল। খাইবাৰ, বোলান, চিপকিলা, নাথুলা, ব'মডিলা আদি গিৰিপথৰ বাদে এই সুউচ্চ পৰ্বতমালা অতিক্ৰম কৰা কঠিন আছিল। ভাৰত মহাদেশৰ আঞ্চলিক স্বকীয়তা অক্ষুণ্ণ ৰখাত এই পৰ্বতমালাৰ অৰিহণা অতিশয় গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষৰ প্ৰাকৃতিক মানচিত্ৰখন দেখুৱাই কাশ্মীৰৰ পৰা কন্যাকুমাৰী আৰু জয়সালমেৰৰ পৰা মণিপুৰলৈ যাত্ৰা কৰিলে প্ৰাকৃতিক পাৰ্থক্যখিনি বুজিব পাৰি।

দাক্ষিণাত্য উপদ্বীপীয় অঞ্চল ভাৰত মহাসাগৰৰ ভিতৰলৈ বিস্তৃত হৈ আছে। যদিও ভাৰতৰ মূল ভূ-ভাগৰ উপকলীয় সীমাৰেখাৰ দৈৰ্ঘ্য ৬,১০০ কি. মি. আন্দামান-নিকোবৰ আৰু লাক্ষাদ্বীপ আদি দ্বীপপুঞ্জ সামৰি, মূল ভূ-ভাগৰ উপকূলীয় সীমাৰেখাৰ দৈৰ্ঘ্যৰে সৈতে মুঠ ভৌগলিক উপকূলীয় সীমাৰেখাৰ দৈৰ্ঘ্য ৭,৫১৭ কি.মি.। প্ৰাকৃতিকভাৱে বৈচিত্ৰময় ভাৰতভূমি বিভিন্ন সম্পদৰ ভড়াল।

**ভাৰতবৰ্ষ আৰু ইয়াৰ সীমামুৰীয়া ৰাষ্ট্ৰবোৰ ঃ**

ভাৰতবৰ্ষৰ মানচিত্ৰখন নিৰীক্ষণ কৰা (চিত্ৰ ১.২)। তুমি নিশ্চয় মন কৰিছা যে ভাৰতবৰ্ষ এচিয়া মহাদেশৰ দক্ষিণ-মধ্য অংশত অৱস্থিত। ভাৰত মহাসাগৰ আৰু ইয়াৰ দুবাহুসদৃশ আৰব সাগৰ আৰু বংগ উপসাগৰে দক্ষিণ অংশ আগুৰি আছে। ভাৰতৰ উপদ্বীপিয় অঞ্চলৰ সামুদ্ৰিক অৱস্থানে বিদেশী সীমামুৰীয়া ৰাষ্ট্ৰসমূহৰ স'তে সামুদ্ৰিক পথ আৰু আকাশী পথেৰে সংযোগ কৰাত যথেষ্ট সুবিধা হৈছে।

শ্ৰীলংকা আৰু মালদ্বীপ ভাৰত মহাসাগৰস্থিত সাৰ্বভৌম ৰাষ্ট্ৰ আৰু ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰ। মান্নাৰ উপসাগৰ আৰু পক্ প্ৰণালীয়ে শ্ৰীলংকাৰ ভাৰতৰ পৰা পৃথক কৰি ৰাখিছে।

**উপসাগৰ আৰু প্ৰণালীৰ মাজত পাৰ্থক্য কি?**

আধুনিক যুগত প্ৰতিৱেশী ৰাষ্ট্ৰৰ সতে আদান-প্ৰদানৰ ক্ষেত্ৰত প্ৰাকৃতিক অৱয়বে কিবা অন্তৰায়ৰ সৃষ্টি কৰিব পাৰে নেকি? সাম্প্ৰতিক কালত আমি এনে প্ৰতিবন্ধকতা কেনেদৰে অতিক্ৰম কৰিব পাৰিছো? কেইটামান উদাহৰণ দিয়া।

## — প্ৰশ্নাৱলী —

১. শুদ্ধ উত্তৰ বাছি উলিওৱা।

(i) ভাৰতবৰ্ষৰ অক্ষৰৈখিক বিস্তৃতিৰ শুদ্ধ তথ্য কোনটো?

(ক) ৮°৪১´ - ৩৫°৭´ উত্তৰ (খ) ৮°৪ - ৩৭°৬´ উত্তৰ

(গ) ৮° ৪´ - ৩৫° ৪´ উত্তৰ (ঘ) ৬° ৪৫´ - ৩৭° ৬´ উত্তৰ

(i) কোনখন দেশে ভাৰতবৰ্ষৰ সতে দীৰ্ঘতম স্থলসীমান্তৰ অংশীদাৰ হৈছে?

(ক) বাংলাদেশ (খ) চীন

(গ) পাকিস্তান (ঘ) ম্যানমাৰ

(ii) তলত উল্লেখ কৰা কোনখন ৰাষ্ট্ৰ ভাৰতবৰ্ষতকৈ আকাৰত ডাঙৰ?

(ক) চীন (খ) ইজিপ্ত

(গ) ফ্ৰান্স (ঘ) ইৰান

(iii) ভাৰতবৰ্ষৰ কাৰণে মান দ্ৰাঘিমা কোনডাল?

(ক) ৬৯° ৩০´ পূৱ (খ) ৮২° ৩০´ পূৱ

(গ) ৭৫° ৩০´ পূৱ (ঘ) ৯০° ৩০´ পূৱ

(2) তলৰ প্ৰশ্নবোৰ ৩০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা -

(i) ভাৰতবৰ্ষক একাধিক মান সময়ৰ প্ৰয়োজন আছেনে? যদি প্ৰয়োজন, ইয়াৰ কাৰণ কি?

(ii) ভাৰতবৰ্ষৰ উপকূলৰেখা দীঘল হোৱাৰ ফলত কি সুবিধা বা অসুবিধা হৈছে লিখা।

(iii) অক্ষৰেখাৰ বিস্তৃতিয়ে ভাৰতবৰ্ষক কেনে কুফল দিছে?

(iv) কহিমাত (নাগালেণ্ড) যেতিয়া সূৰ্যোদয় আৰু সূৰ্য্যাস্ত আগতীয়াকৈ হ'য়, দিল্লী আৰু কহিমাৰ ঘড়ীৰ কাটাত একে সময় হ'য় কেনেকৈ?

**প্ৰকল্পৰ দিহা —**

পৰিশিষ্ট ১ ৰ ওপৰত ভিত্তি কৰি (শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় কৰি দিব)

(i) লেখ কাগজত (graph paper) মধ্য প্ৰদেশ, কৰ্ণাটক, মেঘালয়, গোৱা, কেৰেলা আৰু হাৰিয়ানা জিলাৰ সংখ্যা উপস্থাপন কৰা। প্ৰদেশসমূহৰ আয়তনৰ সতে জিলাসমূহৰ সংখ্যাৰ কিবা সম্পৰ্ক আছেনে?

(ii) উত্তৰ প্ৰদেশ, পশ্চিম বংগ, গুজৰাট, অৰুণাচল প্ৰদেশ, তামিলনাডু, ত্ৰিপুৰা, ৰাজস্থান জম্মু আৰু কাশ্মীৰৰ ভিতৰত কোনখন জনসংখ্যাৰ ফালৰ পৰা অধিক ঘনবসতিৰ আৰু কম ঘনত্বৰ ৰাজ্য?

(iii) ৰাজ্যখনৰ আয়তন আৰু জিলাৰ সংখ্যাৰ সম্পৰ্ক উলিওৱা।

(iv) উপকূলৰ স'তে সংলগ্ন (সীমাভাগী) ভাৰতৰ ৰাজ্য কেইখনৰ নাম লিখা।

(v) স্থলসীমাত অংশীদাৰ, ভাৰতৰ চুবুৰী ৰাষ্ট্ৰবোৰৰ নাম পশ্চিমৰ পৰা পূৱলৈ একাদিক্ৰমে লিখা।

**পৰিশিষ্ট ২ ৰ ওপৰত নিৰ্ভৰ প্ৰকল্প প্ৰস্তুতৰ দিহা**

(i) উপকূলৰ স'তে সংলগ্ন ভাৰতৰ কেন্দ্ৰীয় শাসিত ৰাজ্য কেইখনৰ নাম লিখা।

(ii) ভাৰতৰ ৰাজধানী চহৰ নতুন দিল্লী আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ আয়তন আৰু জনসংখ্যাৰ তাৰতম্য কেনেদৰে বাখ্যা কৰিবা।

(iii) ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ আয়তন আৰু জনসংখ্যা লেখ কাগজত দণ্ডচিত্ৰৰে (bardiagram) দেখুওৱা।